জাতিৰ সেৱাত উৎসৰ্গিত (৫৯) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

39/65 । ৫৯ বছৰ । ২৩৮ সংখ্যা, ২২ চ'ত, শুকুৰবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 238 । DIBRUGARH, FRIDAY, APRIL 5, 2024 । পৃষ্ঠা ১৬ (Pages 16) । ৭.০০ টকা

ৰাজনীতি

ভোটাৰৰ নাগৰিকত্বক লৈ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তকাৰী ২ পৃষ্ঠাত চাওক

গোচৰত সম্প্ৰতি



...ৰোঁ নে নকৰোঁ ...কীয়া কথা, ...কিন্তু আমাৰ বিশ্বাস আছে!


ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব ভাৰতৰ সম্পদ কেন্দ্ৰৰ পদক্ষেপ

## কানৈ মহাবিদ্যালয়ক 'চেণ্টাৰ অৱ্ এক্সিলেঞ্চ' ঘোষণা

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ৪ এপ্ৰিল ঃ ৰাষ্ট্ৰসংঘৰ স্বীকৃতিপ্ৰাপ্ত উত্তৰ-পূবৰ সম্পদ কেন্দ্ৰৰ উদ্যোগত নাকৰ দ্বাৰা 'এ' গ্ৰেড প্ৰাপ্ত, ৭৮ বছৰ গৰকা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক 'চেণ্টাৰ অৱ্ এক্সিলেঞ্চ' হিচাপে ঘোষণা কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা পদক্ষেপসমূহক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ২ পৃষ্ঠাত চাওক

## বছৰটোত তিনি লক্ষাধিক পৰ্যটকে চালে কাজি...



### ৮ কোটি ৮১ লাখ টকাৰো অধিক

নিজা বাতৰি দিওঁতা

বোকাখাত, ৪ এপ্ৰিল ঃ চলিত পৰ্যটন বৰ্ষত বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল দৰ্শন কৰিবলৈ অহা পৰ্যটকৰ সংখ্যা লেখত ল'ব লগাকৈ বৃদ্ধি পাইছে। বনবিভাগৰ তথ্য অনুসৰি, ১৯৯৬-৯৮ পৰ্যটন বৰ্ষত কাজিৰঙালৈ অহা পৰ্যটক আছিল ১৮,৩৮২জন। এই পৰ্যটক সকলৰ পৰা কাজিৰঙাই অৰ্জন কৰিছিল ১৭ লাখ টকা। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙালৈ অহা মুঠ পৰ্যটক ৩,২৭,৪৯৩ গৰাকী বুলি বি... ইয়াৰে মুঠ ৩,১৩,৫৭৪ গৰাকী ... গৰাকী বিদেশী পৰ্যটক। এ... কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ... অৰ্জন কৰে মুঠ ৮,৮১,৮৪,১... তিনিটা বন সংমণ্ডলৰ অসম ... ৩২,০৯৬১ গৰাকী পৰ্য... ৮,৫৯,৪৮,৩৫১ টকা, নগাঁও ... গৰাকী পৰ্যটকৰপৰা ৬২,৪০০...

# দৈনিক অসম

ডিব্ৰুগড়, শুকুৰবাৰ, ৫ এপ্ৰিল, ২০২৪ Dibrugarh, Friday, April 5, 2024



হাভৈৰৰ জ্যোতিষ কেন্দ্ৰ
ত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ
জ্যাতিষ, বাস্তু, সংখ্যাতত্ত্ব
সংমিশ্ৰিত বিশ্লেষিত
মস্যাৰ সমাধান, বিধান,
। জ্যোতিষী, বাস্তুবিদ,
ৰাজগুৰু, কুঁৱৰীটোল ঃ
নগাঁও ঃ (M) 99540-
99570-66469.
o/P/CP001393/15

w Year Lucrative
nbo Offer!!
Assam Tribune
+
Dainik Asam
sified advertisements
at 50% *
discount
Dainik Asam
sified ads with
ial combo offer
Assam Tribune
f 1st January 2024
* T&C apply


## কাৰ্নৈ মহাবিদ্যালয়ক ‘চেণ্টাৰ অব্ এক্সিলেঞ্চ’

মহাবিদ্যালয়খনে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়খনক এনে সন্মান দিয়া হৈছে। কাৰ্নৈ মহাবিদ্যালয়ত ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা এখন সভাত ৰাষ্ট্ৰসংঘৰ অনুমোদনপ্ৰাপ্ত ইউনেস্ক' এছ'চিয়েচনৰ সম্পাদকপ্ৰধান, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূবৰ সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক, ৰাষ্ট্ৰসংঘৰ অধ্যয়ন প্ৰতিষ্ঠানৰ আঞ্চলিক সম্পাদক, ইউনাইটেড নেচনছ এছ'চিয়েচনৰ অসমৰ সম্পাদক ডঃ অশ্বিনী শৰ্মাই মহাবিদ্যালয়খনক চেণ্টাৰ অব্ এক্সিলেঞ্চৰ প্ৰমাণপত্ৰ প্ৰদান কৰিব। ২০১১ চনৰ ২৪ নৱেম্বৰত ভাৰত আৰু ভূটানৰ দায়িত্বত থকা ৰাষ্ট্ৰসংঘৰ তথ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক ৰাজীৱ চন্দ্ৰনে গুৱাহাটীৰ সম্পদ কেন্দ্ৰটো ২০১২ চনৰ জানুৱাৰী মাহৰপৰা কাৰ্যকৰী হ'ব বুলি গুৱাহাটীলৈ আহি ঘোষণা কৰি যোৱাৰ পাছত ২০১২ চনৰ ৩ জানুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ৰাষ্ট্ৰসংঘৰ অধীনৰ উত্তৰ-পূবৰ এই সম্পদ কেন্দ্ৰটো গুৱাহাটীত মুকলি কৰিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ ২০১৩ চনত তদানীন্তন শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইনষ্টিটিউট অব্ ইউ এন ষ্টাডিজৰ অসম শাখা মুকলি কৰিছিল। মেঘালয়ৰ মুখ্যমন্ত্ৰী মুকুল চাংমাই ২০১৩ চনত ইউনেস্ক' এছ'চিয়েচনৰ গুৱাহাটী শাখাটো পৰিদৰ্শন কৰি ভূয়সী প্ৰশংসা কৰিছিল। বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০১৬ চনত গুৱাহাটী ইউনেস্ক' এছ'চিয়েচনৰ কাৰ্যালয় ভ্ৰমণ কৰি কাৰ্যালয়টোৱে ৰাষ্ট্ৰসংঘৰ লক্ষ্য, উদ্দেশ্যৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা কাৰ্যক প্ৰশংসা কৰিছিল। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূবৰ এই সম্পদ কেন্দ্ৰটোৱে মহাবিদ্যালয়খনক ‘চেণ্টাৰ অব্ এক্সিলেঞ্চ’ ঘোষণা কৰাৰ ফলত মহাবিদ্যালয়খনে ‘গ্ৰন্থাগাৰ সম্পদ কেন্দ্ৰ’ প্ৰতিষ্ঠা, মহাবিদ্যালয়খনৰ আজীৱন সদস্যৰ পদ গ্ৰহণ কৰাসকলে ৰাষ্ট্ৰসংঘ, ইউনেস্ক'কে ধৰি পৃথিৱীৰ সকলো দেশৰে উমৈহতীয়া প্ৰচেষ্টাত গঢ়ি উঠা সংগঠনসমূহে বিশ্বৰ বিভিন্ন ঠাইত অনুষ্ঠিত কৰা আলোচনাচক্ৰ, কৰ্মশালা, বক্তৃতা ইত্যাদিত অংশ লোৱাত সহজ হৈ পৰিব। তদুপৰি শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰসংঘৰ সম্পদকেন্দ্ৰটোৰ অধীনত অনলাইন পাঠ্যক্ৰম গ্ৰহণ কৰাত সুযোগ লাভ কৰিব। ৰাষ্ট্ৰসংঘ, ইউনেস্ক' আদি সংগঠনসমূহে সময়ে সময়ে প্ৰদান কৰা বিভিন্ন সা-সুবিধা, আলোচনী আদিৰো সুবিধা পাব মহাবিদ্যালয়খনৰ অধ্যাপক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলে। মহাবিদ্যালয়খনক ‘চেণ্টাৰ অব্ এক্সিলেঞ্চ’ ঘোষণাৰ বাবে নিৰ্বাচন কৰাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই ৰাষ্ট্ৰসংঘ আৰু ইউনেস্ক'ৰ বহুকেইটা দায়িত্বত থকা ডঃ অশ্বিনী শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

চৰকাৰৰ আৰক্ষীয়ে সঘনাই টহল
প্ৰয়োজনত অতিৰিক্তকৈ তন্ন তন্ন
লাগিব। এনে প্ৰক্ৰিয়াৰ লগতে ভোট

## কেনেকৈ হ

বিষয়াৰ সন্দেহ হ'লে ‘ডি’ ভোটাৰ ব
ব্যৱস্থাটো ১৯৯৭ চনৰপৰা নিৰ্বাচন
কৰিছে। তথ্য অনুসৰি, ১৯৯৭ চ
চনলৈকে ২,৪৪,১৪৪জন সন্দেহযুক্ত
বিদেশী ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰ
৫১,৫০৫জন লোকক ন্যায়াধিক
বিদেশী বুলি চিহ্নিত কৰিছে। সংশ্লি
ভাৰতীয় বুলি নাগৰিকত্ব প্ৰমাণ কৰি
ভোটাৰ তালিকাত তেওঁলোকৰ নাম
চিহ্নিত হৈ থাকে আৰু তেওঁলোকে
নোৱাৰে। ২০২৪ চনৰ সংশোধিত
সৰ্বমুঠ ৯৬,২৮৭জন ‘ডি’ ভোটাৰৰ
আছে। ৰাজনৈতিক বিভাগৰ এটা
‘দৈনিক অসম'ক জানিবলৈ দিয়া
কিছুদিন ধৰি দিছপুৰত এই লৈ কি
আছে। ‘ডি’ ভোটাৰ হিচাপে চিহ্নিত
বিভিন্ন ধৰণে হাৰাশাস্তিৰো সন্মুখীন
প্ৰক্ৰিয়া সাধাৰণতে দীঘলীয়া হয় বা
লোকসকলেও দীৰ্ঘদিন ধৰি এই জ
হ'ব নোৱাৰে। বিদেশী ন্যায়াধিকৰ